# কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষা শাখাৰ অসমীয়া বিভাগৰ পৰা

পি.এইচ.ডি. ডিগ্ৰীৰ বাবে প্ৰদত্ত গৱেষণা-গ্ৰন্থ

**শেৱালী ৰায়**

২০২৩

# DECLARATION

I, Mrs. Sewali Roy, bearing Registration No. FINAL/ASS00303 of 2019-2020 a Research Scholar under Bodoland University, Kokrajhar, Assam have written and submitted the thesis entitled **"Kokrajhar Aru Chirang Jilar Koch-Rajbanshi Janagosthir Samajik Lokachar : Ek Bishlesanatmak Adhyayan."** under the guidance of Dr. Daisy Rani Deka, Assistant Professor, Department of Assamese, Bodoland University, Kokrajhar for the fulfilment of the requirements of the degree of Doctor of Philosophy. I declare that this is my original research work. The thesis submitted to any other University or Institution for any other research degree and award.

Sewali Roy.

Date : 10/05/2024

Place : Kokrajhar

**Signature of the Candidate**

**(Sewali Roy)**
Research Scholar
Department of Assamese,
Bodoland University, Kokrajhar

**Dr. Daisy Rani Deka**
Assistant Professor
Department of Assamese
Bodoland University, Kokrajhar
Contact No. 8822486652
E-mail: daisyneelabh27@gmail.com

Research Guide
Department of Assamese
Bodoland University,
Kokrajhar - 783370

---

# TO WHOM IT MAY CONCERN

This is to certify that the thesis entitled **"Kokrajhar Aru Chirang Jilar Koch-Rajbanshi Janagosthir Samajik Lokachar : Ek Bishlesanatmak Adhyayan."** written and submitted by Mrs. Sewali Roy, Research Scholar, Department of Assamese, Bodoland University, Kokrajhar for the fulfilment of the requirements of the degree of Doctor of Philosophy, is a record of original research work done by her under my guidance and supervision. To the best of my knowledge, the thesis has not been submitted to any other University or Institution for any research degree and award.

Date : 10/05/2024
Place : Kokrajhar

**Dr. Daisy Rani Deka**
Assistant Professor,
Department of Assamese,
Bodoland University, Kokrajhar

Dr. Daisy Rani Deka
Research Guide
Department of Assamese
Bodoland University, Kokrajhar

# কৃতজ্ঞতা স্বীকাৰ

বড়োলেণ্ড স্বায়ত্বশাসিত জিলা পৰিষদৰ অন্তৰ্গত কোকৰাঝাৰ আৰু চিৰাং দুখন অন্যতম জিলা। দুয়োখন জিলাতে কোচ-ৰাজবংশী জনগোষ্ঠীৰ বসতি আছে। কোচ-ৰাজবংশী জনগোষ্ঠীটো সাংস্কৃতিক দিশত চহকী। কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ মাজত পৰম্পৰাগতভাৱে বিভিন্ন সামাজিক লোকাচাৰৰ প্ৰচলন আছে আৰু এইবোৰেই কোচ-ৰাজবংশী লোকসংস্কৃতিৰ ভঁৰাল সমৃদ্ধিশালী কৰি ৰখাত যথেষ্ট অৰিহণা যোগাই আহিছে। কিন্তু উক্ত দুখন জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশীসকলৰ লোকসংস্কৃতিৰ বিভিন্ন দিশৰ প্ৰণালীবদ্ধভাৱে অধ্যয়ন হোৱা নাই।

কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসংস্কৃতিৰ এক অন্যতম বিভাগ সামাজিক লোকাচাৰৰ অধ্যয়ন কৰাৰ উদ্দেশ্য আগত ৰাখি "কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন" শীৰ্ষক বিষয়ক মূল বিষয় হিচাপে লৈ ২০১৯ চনত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত নামভৰ্ত্তি কৰোঁ। গৱেষণা কৰ্মৰ সুবিধাৰ্থে মূল বিষয়বস্তুক পাঁচটা অধ্যায়ত বিভাজন কৰি প্ৰণালীবদ্ধ ভাৱে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। ইয়াৰ বাবে ক্ষেত্ৰভিত্তিক অধ্যয়ন, বিভিন্ন প্ৰকাশিত আৰু অপ্ৰকাশিত গ্ৰন্থ, আলোচনী, স্মৃতিগ্ৰন্থ, গৱেষণা পত্ৰিকা আদিৰ পৰা সমল সংগ্ৰহ কৰি সেইবোৰৰ বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা আগবঢ়াবলৈ যত্ন কৰা হৈছে।

গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰি উলিওৱাৰ ক্ষেত্ৰত যিসকল ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰপৰা সহায়-সহযোগিতা লাভ কৰিছোঁ, সেইসকলৰ ভিতৰত প্ৰথমতে মই বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ডং ডেইজী ৰাণী ডেকা বাইদেউৰ ওচৰত চিৰকৃতজ্ঞ। তত্বাৱধায়কৰ নিচিনা এটা গুৰু দায়িত্ব পালন কৰি মোৰ গৱেষণা কৰ্মৰ আৰম্ভণিৰপৰা শেষলৈকে তেওঁ যি পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিলে, সেই ভূমিকাৰ বাবে আজীৱন তেওঁৰ ওচৰত ঋণী হৈ থাকিম।

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ জৰিয়তে গৱেষণা কৰ্মত ব্ৰতী হ'বলৈ সুযোগ পোৱাৰ বাবে লগতে গৱেষণা কাৰ্যত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে বিভাগীয় মুৰব্বী ডং চুমি কলিতা বাইদেউ, সহকাৰী অধ্যাপক যথাক্ৰমে ডং বিভূতি লোচন শৰ্মা ছাৰ, ডং ৰাতুল ডেকা ছাৰ, দীপামণি বৈশ্য বাইদেউলৈ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

চিলাৰায় মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যপক ড° উমেশ দাস ছাৰে বিভিন্ন দিশত বৌদ্ধিক নিৰ্দেশনাৰে আমাৰ গৱেষণা কাৰ্য আগবঢ়াই নিয়াত আন্তৰিক সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। বঙাইগাঁও মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ৰূপাঞ্জলী দেৱী বাইদেউৰে গৱেষণা কৰ্মৰ বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে তেওঁলৈও কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

জীৱনৰ এই পৰ্যায়লৈকে আগবঢ়াই দিয়া মা ঁহিৰু ৰায় আৰু দেউতা নগেন ৰায়, দাদা-অকণ চন্দ্ৰ ৰায়, বৌ জয়ন্তী বৰুৱালৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ। যাৰ সহায়-সহযোগিতা আৰু আন্তৰিক তাগিদা নহ'লে এই গৱেষণা কাৰ্য সম্ভৱ হৈ নুঠিলহেঁতেন সেইজন ব্যক্তি মোৰ স্বামী চন্দন বৰ্মনৰ প্ৰতি মই চিৰকৃতজ্ঞ। গৱেষণা কৰ্মৰ তথ্য সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা শাহু মা পূৰ্ণিমা বালা বৰ্মন, জেঠা ঘনশ্যাম ৰায়, জেঠী পূৰ্ণিমা চৌধুৰী, বান্ধৱী পখিলী ৰায়, দীপামণি ৰায়, বন্ধু দীপাংকৰ চৌধুৰী, দাদা প্ৰীতম কোচ, ভাইটি হীৰকজ্যোতি প্ৰধানী, হীৰকজ্যোতি ৰায়, নগৰদ্বীপ ৰায়লৈ অশেষ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে প্ৰতিটো ক্ষেত্ৰত পৰিয়ালৰ প্ৰতিজন সদস্যৰে স্নেহ আৰু প্ৰেৰণাক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

আমাৰ গৱেষণা কৰ্মত অকৃত্ৰিম সহায়-সহযোগিতা আগবঢ়োৱা কোচ-ৰাজবংশী সাংস্কৃতিক সংস্থাৰ সভাপতি বুদ্ধেশ্বৰ ৰায়দেৱ, কোচ-ৰাজবংশী সাংস্কৃতিক সংস্থাৰ সাধাৰণ সম্পাদক দীপপুঞ্জ ৰায়দেৱ, কোচ-ৰাজবংশী ভাষা অধ্যয়ন, গৱেষণা আৰু উন্নয়ন সমিতিৰ প্ৰধান সচিব উৎপল সিংহ, বি.টি.চি.ৰ কিক্ বক্সিং সন্থাৰ সভাপতি নৃপেন্দ্ৰ চন্দ্ৰ ৰায়দেৱ, ৰবি দা, দীপাংকী বৌ আটাইকেগৰাকীলৈ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মুদ্ৰলেখনৰ জৰিয়তে গ্ৰন্থখনি সজাই পৰাই তোলা বাবে সুমন দা লৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ।

সদৌ শেষত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে এই গৱেষণা কাৰ্যত আমাক সহায় কৰা আটাইলৈ আমাৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলোঁ।

শেৱালী ৰায়

**দিনাংকঃ** ১০/০৫/২০২৪ **শেৱালী ৰায়**

# সংক্ষিপ্ত ৰূপ

| | | |
|---|---|---|
| অনু. | ঃ | অনুবাদ |
| সংক. | ঃ | সংকলন |
| সম্পা. | ঃ | সম্পাদক, সম্পাদনা |
| সহ. | ঃ | সহকাৰী |
| পৃ. | ঃ | পৃষ্ঠা |
| **ed.** | ঃ | **edit, eidtor** |

# অৱতৰণিকা

# অৱতৰণিকা

## ০.১ গৱেষণাৰ বিষয়বস্তু ঃ

কোনো এটা নিৰ্দ্দিষ্ট ভৌগোলিক পৰিসীমাৰ ভিতৰত বাস কৰা লোক সমষ্টিক লোকসমাজ বোলে। এনে লোকসমাজত কেতবোৰ নিজস্ব ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ধ্যান-ধাৰণা, বিচাৰ-বুদ্ধি, উৎসৱ-পাৰ্ব্বণ, খাদ্য-সম্ভাৰ, সাজপোছাক, আ-অলংকাৰ, লোকবিশ্বাস, ধৰ্মীয় বিশ্বাস আদি গঢ় লোৱা দেখা যায় আৰু এইবোৰত স্থানভেদে, অঞ্চলভেদে পাৰ্থক্য পৰিলক্ষিত হয়। এই সকলোবোৰ বিষয়ৰ সমষ্টিকে লোকসংস্কৃতি বুলি কোৱা হয়। 'লোকসংস্কৃতি' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Folk-Culture' যদিও 'Folk-lore' শব্দটোহে বহুল প্ৰচলিত আৰু সৰ্বজনগৃহীত। কিন্তু 'Folk' আৰু 'Lore' পদ দুটাই ভিন্ন অৰ্থ প্ৰকাশ কৰে। Folk ৰ অৰ্থ হ'ল লোক বা জন, Lore ৰ অৰ্থ বিদ্যা। এই ক্ষেত্ৰত Folk-Lore ক বুজাবৰ বাবে লোকবিদ্যা পদটোহে অধিক সমীচীন যেন লাগে। ভাৰতবৰ্ষত Folklore শব্দটোৰ প্ৰতিশব্দ হিচাপে লোকসংস্কৃতি, লোকবিদ্যা, জনকৃষ্টি, লোককৃষ্টি, লোকচৰ্চা আদি নাম বহুলভাৱে প্ৰচলিত। লোকসংস্কৃতি সম্পৰ্কে নবীন চন্দ্ৰ শৰ্মাই আগবঢ়োৱা মন্তব্যটি প্ৰণিধানযোগ্য। তেওঁৰ মতে-

> *"অতিকথা, লেজেণ্ড, সাধুকথা, টেটকুটি, লোকোক্তি প্ৰবচন-যোজনা (যোজোনা) প্ৰবাদ, সাঁথৰ দিষ্টান, আবৃত্তি, মন্ত্ৰ, আশীৰ্বাদ, অভিশাপ-গালি, শপত, অপমান-অমৰ্য্যাদা, প্ৰতিশোধ, উপহাস, উত্ত্যক্তকৰণ (Teases), সম্বৰ্দ্ধনা, পোছাক-পৰিচ্ছদ, বেশ-ভূষা, অয়-অলংকাৰ, লোকনৃত্য, লোকনাটক, লোককলা, লোকবিশ্বাস, লোক-ঔষধ-পাতি, লোকসংগীতৰ লগত জৰিত বাদ্য-যন্ত্ৰ, লোকভাষা, লোকউপমা-ৰূপক,*

*নাম (উপনাম, স্থাননাম) লোককবিতা, ৰাজহুৱা ঘৰৰ বেৰ বা ৰাজহুৱা পায়খানা-স্নানাগাৰ আদিৰ বেৰ-লেখা, পঞ্চপদী-অৰ্থহীন কবিতা (limericks) অংগী-ভংগী, নিচুকনি গীত, মুদ্ৰা, প্ৰাৰ্থনা, লোক-বুৎপত্তি, খাদ্য-ৰন্ধন প্ৰণালী, গৃহ-বাৰী-বেৰ হেঙাৰ দুৱাৰ-খিৰিকি আদিৰ নিৰ্মাণ প্ৰণালী, হামি-হাঁচি আদিৰ ওপৰত কৰা পৰম্পৰাগত মন্তব্য, উৎসৱ-অনুষ্ঠান,লোকধৰ্ম, ব্ৰত-উপবাস, দৃশ্য-শ্ৰব্য কলা ৰীতি আদি লোকবিদ্যাৰ পৰিধিৰ ভিতৰত সামৰিব পাৰি।"*[১]

ঠিক সেইদৰে Jonas Balys এ লোকসংস্কৃতিৰ বিষয়ে আগবঢ়োৱা মন্তব্যটি হ'ল-

*"লোকবিদ্যা বা লোকসংস্কৃতি আদিম আৰু সভ্য লোকৰ পৰম্পৰাগত সৃষ্টি। এইবোৰ গদ্য-পদ্য উভয়ৰূপতে পোৱা যায়। লোকবিশ্বাস, সংস্কাৰ, আচাৰ-অনুষ্ঠান, পৰিৱেশ্য কলা, নৃত্য, অভিনয় আদিও লোকসংস্কৃতিৰ পৰিসৰে সামৰে। ইয়াৰ উপৰিও লোকসংস্কৃতি, লোকৰ (Folk) পৰম্পৰাগত বিজ্ঞান নহয়, পৰম্পৰাগত লোকবিজ্ঞান আৰু লোক কবিতাহে।"*[২]

উক্ত মন্তব্যৰপৰা এটা সিদ্ধান্তলৈ আহিব পাৰি যে- আদিম আৰু সুসভ্য লোকৰদ্বাৰা সৃষ্ট পৰম্পৰাগত নীতি-নিয়ম, জীৱন-নিৰ্বাহৰ বাবে প্ৰয়োজনীয় উপকৰণ, মানুহৰদ্বাৰা সৃষ্ট সাহিত্য, সংগীত, বিজ্ঞান, স্থাপত্য, ভাস্কৰ্য আদিয়েই হৈছে লোকসংস্কৃতি। লোকসংস্কৃতিৰ পৰিসৰ বিশাল আৰু বিস্তৃত। এই বৃহৎ লোকসংস্কৃতিৰ ক্ষেত্ৰখন চহকী কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে সামাজিক লোকপ্ৰথা বা লোকাচাৰে (Social Folk Custom)। কোনো সমাজত লৌকিক আৰু পৰম্পৰাগতভাৱে প্ৰচলিত কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ পাৰ্বণ, জন্ম, মৃত্যু, বিবাহ, ধৰ্ম, বিশ্বাস আদিৰ লগত জড়িত বিভিন্ন অনুষ্ঠান, অৱসৰ-বিনোদন, খেল-ধেমালি, লোক-ঔষধ আদিবোৰকেই লোকাচাৰ বোলা হয়। "*দৰাচলতে লোকাচাৰ মানৱ জীৱনৰ বিবিধ ক্ৰিয়াৰ সমষ্টিহে, যিবোৰ লোকবিশ্বাসৰ গাত ভেজা দি সমাজত ক্ৰমবৰ্দ্ধমান ৰূপত প্ৰচলিত হৈ আহিছে। কোনো এটা জনগোষ্ঠীৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি, খেল-ধেমালি, লোক ঔষধ আদিয়েই হৈছে সামাজিক লোকাচাৰ।"*[৩]

অসম তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থান আৰু এই বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহনীয়া সংস্কৃতিয়ে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বৰ্ণিল সংস্কৃতি গঢ় লোৱাত বিশেষভাৱে অৰিহণা যোগাইছে। এনে বৰ্ণিল সংস্কৃতিৰ অংশস্বৰূপ এক উল্লেখনীয় বৃহৎ প্ৰাচীন জনগোষ্ঠী হ'ল কোচ-ৰাজবংশী জনগোষ্ঠী। *"কোচ-ৰাজবংশীসকল ইণ্ডো-মংগোলীয় বা কিৰাত জনজাতিৰ এটি শাখা।"*[৪]

হান্টাৰৰ মতে *"কোচ চৰ্দাৰ হাজোই পঞ্চদশ শতাব্দী মাজভাগত কামৰূপত এখন ৰাজ্য প্ৰতিষ্ঠা কৰে। তেওঁৰ পুত্ৰ, ৰাজকৰ্মচাৰী আৰু প্ৰজাসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰি কোচ নাম ত্যাগ কৰি ৰাজবংশী হিচাপে পৰিচিত হয়।"*[৫]

কোচ-ৰাজবংশী লোকসকল বৰ্তমান অসমৰ পূব-পশ্চিমৰ বিভিন্ন প্ৰান্তত সিচঁৰতি হৈ থকাৰ উপৰিও পশ্চিমবংগৰ কোচবিহাৰ, আলিপুৰ, জলপাইগুৰি, দাৰ্জিলিং, নেপালৰ ঝাপা, মোৰং, চুনচুৰী অঞ্চলৰ লগতে বাংলাদেশৰ ৰংপুৰ, দিনাজপুৰ, মৈমনসিং, বগুৰা, বিহাৰ, অবিভক্ত পূৰ্ণিয়া জিলা আদি স্থানতো বসবাস কৰে।

কোকৰাঝাৰ জিলা আৰু চিৰাং জিলা অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত দুখন উল্লেখযোগ্য জিলা। দুয়োখন জিলাতে কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলৰ বাহিৰেও অন্যান্য জনগোষ্ঠীৰ লোকৰো বসতি দেখা যায়।

আমাৰ গৱেষণাৰ বিষয়বস্তু হ'ল—

*"কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন।"*

## ০.২ গৱেষণা বিষয়ৰ পৰিসৰ ঃ

আমাৰ অধ্যয়নৰ পৰিসৰ ভৌগোলিক ভাৱে কোকৰাঝাৰ আৰু চিৰাং জিলাৰ চাৰিসীমাৰ ভিতৰতে সীমাবদ্ধ। কেইবছৰমান পূৰ্বে কোকৰাঝাৰ আৰু চিৰাং অবিভক্ত গোৱালপাৰা জিলাৰ অন্তৰ্ভুক্ত আছিল। ১৯৮৩ চনৰ ১ জুলাইত কোকৰাঝাৰ মহকুমাকে কোকৰাঝাৰ জিলালৈ উন্নীত কৰা হয়। ২০০৩ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে স্বাক্ষৰিত এক চুক্তি অনুসৰি Bodoland Territorial Area District চমুকৈ B.T.A.D. গঠন হোৱাত তাত চাৰিখনকৈ জিলা অন্তৰ্ভুক্ত কৰা হয়। চিৰাং

তাৰে এখন নতুন জিলা। B.T.A.D. ত অন্তৰ্ভুক্ত হোৱা আন তিনিখন জিলা হ'ল কোকৰাঝাৰ, বাক্সা আৰু ওদালগুৰি। কোকৰাঝাৰ জিলাৰ মহকুমা তিনিটা-কোকৰাঝাৰ, গোসাঁইগাওঁ, পৰ্বতঝোৰা। চিৰাং জিলাৰ মহকুমা দুটা কাজলগাঁও আৰু বিজনী।

কোকৰাঝাৰ আৰু চিৰাং জিলাত পূৰ্বৰেপৰা বসবাস কৰা কোচ-ৰাজবংশী লোকসমাজত অতীতৰেপৰা বিভিন্ন ধৰণৰ মৌখিকসাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ বা ৰীতি-নীতি, লোক পৰিৱেশ্য কলা পৰম্পৰাগতভাৱে প্ৰচলন হৈ আছে। আমাৰ গৱেষণা কৰ্মত এইবোৰৰ ভিতৰত কেৱল সামাজিক লোকাচাৰৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ব।

## কোকৰাঝাৰ জিলাৰ চমু পৰিচয় ঃ

অসমৰ পশ্চিম প্ৰান্তত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত এখন উল্লেখযোগ্য জিলা হৈছে কোকৰাঝাৰ জিলা। কোকৰাঝাৰ জিলাখন এসময়ত অবিভক্ত গোৱালপাৰা জিলাৰ অন্তৰ্ভুক্ত আছিল। ১৯৫৬ চনলৈকে এটা ৰেল ষ্টেচনসহ ই এখন সৰু গাঁও আছিল। ১৯৫৭ চনত সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই ধুবুৰী মহকুমাৰ উত্তৰ অংশ আৰু গোৱালপাৰা মহকুমাৰ এটা অংশৰ সংযোগ কৰি কোকৰাঝাৰ মহকুমা গঠন কৰে। ১৯৮৩ চনৰ ১ জুলাইত কোকৰাঝাৰ মহকুমাকে কোকৰাঝাৰ জিলালৈ উন্নীত কৰা হয়। পৰৱৰ্তী সময়ত জিলাখনৰ কিছু অংশক লৈ বঙাইগাঁও জিলা গঠন কৰা হয় আৰু ধুবুৰী মহকুমাৰ চাপৰ ৰাজহ চক্ৰৰ কিছু অংশ কোকৰাঝাৰ জিলাৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হয়। বৰ্তমান সময়ত কোকৰাঝাৰ চহৰখনেই জিলাখনৰ সদৰ ঠাই। কোকৰাঝাৰ জিলাৰ মহকুমা তিনিটা কোকৰাঝাৰ, গোসাঁইগাঁও আৰু পৰ্বতঝোৰা।

*"কোকৰাঝাৰ জিলাৰ ভৌগলিক অৱস্থান ৮৯ ডিগ্ৰী ৪৬ মিনিটৰ পৰা ৯০ ডিগ্ৰী ৩৮ মিনিট দ্ৰাঘিমাংশলৈ আৰু ২৬ ডিগ্ৰী ১৯ মিনিটৰ পৰা ২৬ ডিগ্ৰী ৫৮ মিনিট অক্ষাংশলৈ বিস্তৃত।"*[৬]

২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত স্বাক্ষৰিত এক চুক্তি অনুযায়ী বড়োলেণ্ড আঞ্চলিক স্বায়ত্তশাসিত জিলা (Bodoland Territorial Area District) চমুকৈ বি.টি.এ.ডি. গঠন হোৱাত কোকৰাঝাৰ জিলা ইয়াত অন্তৰ্ভুক্ত হৈ পৰে। কোকৰাঝাৰ জিলাখনৰ মাটিকালি ৩,২৯৬ বৰ্গ কিলোমিটাৰ।

কোকৰাঝাৰ জিলাৰ পূৱত চিৰাং আৰু বঙাইগাঁও জিলা, পশ্চিমত পশ্চিমবংগ, উত্তৰত ভূটান আৰু দক্ষিণত গোৱালপাৰা আৰু ধুবুৰী জিলা অৱস্থিত। জিলাখনত থকা প্ৰধান নদ-নদী হৈছে-মানাহ, আই, চম্পাৱতী, সৰলভাঙা, সোণকোষ, গদাধৰ, গৌৰাং আদি।

'কোকৰাঝাৰ' শব্দটোৰ উৎপত্তি সম্পৰ্কে বিভিন্ন মতবাদ পোৱা যায়। কোনো কোনোৰ মতে এই ঠাইখিনিত থকা ঝাৰ অথবা ঝাৰনিক মানুহে কেক্ৰা দা লৈ কাটি তহিলং কৰিছিল বাবে ঠাইখিনিৰ নাম কোকৰাঝাৰ হয়।

*"কোকৰাঝাৰ শব্দটিৰ উৎপত্তিৰ বিষয়ে বিশিষ্ট সাহিত্যিক মোহিনী মোহন ব্ৰহ্মই কৈছে যে- বড়ো শব্দ খুংখ্ৰাঝাৰৰ পৰা কোকৰাঝাৰ হৈছে। তেওঁৰ মতে অতীতত কোকৰাঝাৰ অঞ্চলত প্ৰচুৰ খুংখ্ৰা নামৰ এবিধ গছ আছিল। সেই সূত্ৰে খুংখ্ৰাৰৰ পৰাই কোকৰাঝাৰ হয়। স্মৰ্তব্য যে খুংখ্ৰা নামৰ গছটি তৃণজাতীয়। বৃক্ষজাতীয় নহয়। গতিকে তৃণ জাতীয় গছৰ লগত ঝাৰ শব্দটি খাপ নাখায় বুলি ধাৰণা হয়।"*[৭] আন এটি নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জানিব পৰা মতে *"ৰাজবংশীমূলীয় শব্দ কেৰ্কেৰাঝাৰৰ পৰাই কোকৰাঝাৰ নামৰ উৎপত্তি হয়। কেৰ্কেৰা শব্দটিৰ অৰ্থ হ'ল ডাঠ বা ঘন। এই সূত্ৰ অনুসৰি কোকৰাঝাৰ অঞ্চলত এটা সময়ত বৃক্ষজাতীয় গছ-গছনি অত্যন্ত বেছি আছিল। সেয়েহে কেৰ্কেৰা গছ-গছনি থকা ঠাই হিচাপে পিছলৈ কোকৰাঝাৰ হয়। উল্লেখযোগ্য যে প্ৰাচীন কোকৰাঝাৰ অঞ্চলত ডাঠ বা ঘন হাবি থকা কথাখিনি সচাঁ বুলি জনা গৈছে। সামগ্ৰিকভাৱে বড়োমূলীয় শব্দৰ পৰাই কোকৰাঝাৰ শব্দটিৰ উৎপত্তি নাই হোৱা বুলি ধাৰণা হয়। হ'লে কোকৰাঝাৰ চহৰৰ পাশ্বৰৰ্তী ঠাইসমূহৰ নাম বড়োমূলীয় হ'লহেতেন। ঠাইসমূহ হ'ল নাৰাবাৰী, হাতীমাথা, পাতালপুৰি, বাগানশালী, টেঙাপাৰা, মালডাংপাৰা, চান্দামাৰী ইত্যাদি। আন এটা উদাহৰণেৰে কথাখিনিৰ যক্তিযুক্ততা বিচাৰি পোৱা যায়। ভাতাৰমাৰী নামৰ শব্দটি এসময়ত সাম্প্ৰতিক কোকৰাঝাৰৰ শান্তিনগৰ, সুভাষপল্লী, বেংক কলনী, পাথৰঘাট আদি অঞ্চলক ভাতাৰমাৰী বুলি কোৱা হৈছিল। বৰ্তমান শান্তিনগৰ পোষ্ট অফিচৰ দক্ষিণ দিশত নিচেই কাষতে থকা ৰাস্তাৰ তিনিআলি, অঞ্চলত এজন মুছলমানলোকে বসবাস কৰিছিল। যাৰ নাম খুতু মিঞা। তেওঁৰ দুজনী ঘৈণীয়েক আছিল। এদিনাখন পাৰিবাৰিক কাজিয়াজনিত কাৰণত এজনী ঘৈণীয়েকে খুতু মিঞাক নিজ হাতে হত্যা কৰি নিজ ঘৰৰ মজিয়াত পুতি ৰাখিছিল। পিছত কোকৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত*

*বিষয়া মহেন্দ্র মোহন চৌধুৰীয়ে মৰাশটি উদ্ধাৰ কৰে। ৰাজবংশমূলীয় ভাতাৰ শব্দটিৰ অৰ্থ হ'ল গিৰিয়েক আৰু তিৰী শব্দটিৰ অৰ্থ হ'ল ঘৈণীয়েক। সেয়েহে খুতু মিএগাৰ ঘৈণীয়েকে তাইৰ ভাতাৰক মাৰা সূত্ৰে ঠাইডোখৰৰ নাম ভাতাৰমাৰী নামেৰে জনাজাত হয়।"*[৮]

২০১১ চনৰ লোকপিয়ল অনুসৰি কোকৰাঝাৰ জিলাৰ জনসংখ্যা হ'ল-[৯]

| | | |
|---|---|---|
| মুঠ জনসংখ্যা | - | ৮৮৭,১৪২ |
| পুৰুষ | - | ৪৫২,৯০৫ |
| মহিলা | - | ৪৩৪,২৩৭ |

"২০১১ *চনৰ লোকপিয়ল অনুসৰি সাক্ষৰতাৰ হাৰ ৬৫.২২ শতাংশ। ইয়াৰে পুৰুষৰ সাক্ষৰতাৰ হাৰ ৭১.৮৯ শতাংশ আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ ৫৮.২৭ শতাংশ ২০১১ চনৰ লোকপিয়ল মতে-*[১০]

| | | |
|---|---|---|
| মুঠ শিক্ষিতৰ সংখ্যা | - | ৪৮৯,৩০৫ |
| শিক্ষিত পুৰুষ | - | ২৭৫,২২০ |
| শিক্ষিত মহিলা | - | ২১৪,০৮৫ |

কোকৰাঝাৰ জিলাত বিভিন্ন ধৰ্মাৱলম্বী লোক বসবাস কৰে। ২০১১ চনৰ লোকপিয়ল অনুসৰি কোকৰাঝাৰ জিলাত বসবাস কৰা বিভিন্ন ধৰ্মাৱলম্বী লোকৰ বিষয়ে প্ৰস্তুত কৰা তালিকাখন আগবঢ়োৱা হ'ল-[১১]

| ধৰ্ম | শতাংশ | জনসংখ্যা |
|---|---|---|
| হিন্দু | ৫৯.৬৪ | ৫২৯,০৬৮ |
| মুছলমান | ২৮.৪৪ | ২৫২,২৭১ |
| খ্ৰীষ্টান | ১১.৪০ | ১০১,০৯১ |
| শিখ | ০.০১ | ৯৩ |
| বৌদ্ধ | ০.১৯ | ১৭১৮ |
| জৈন | ০.০৪ | ৩৯৬ |
| অন্যান্য | ০.০১ | ১২৩ |

কোকৰাঝাৰ জিলাৰ শিক্ষাৰ ক্ষেত্ৰত নিম্ন শ্ৰেণীৰ পৰা বিশ্ববিদ্যালয় পৰ্যন্ত সকলো পৰ্যায়ৰ শিক্ষানুষ্ঠান আছে। কোকৰাঝাৰ জিলাৰ উল্লেখযোগ্য শিক্ষানুষ্ঠানসমূহ হৈছে-

- বড়োলেণ্ড বিশ্ববিদ্যালয়, কোকৰাঝাৰ
- বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়
- কেন্দ্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, কোকৰাঝাৰ
- কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়
- কৰ্মাচ কলেজ, কোকৰাঝাৰ
- বিজ্ঞান মহাবিদ্যালয়, কোকৰাঝাৰ
- আইন মহাবিদ্যালয়
- কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়
- চৰকাৰী শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ, কোকৰাঝাৰ
- বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ
- সংগীত আৰু চাৰু-কাৰু কলা মহাবিদ্যালয়
- আই টি আই, ধাউলীগুৰী
- আই টি আই, ছালাকাটী

ইয়াৰ উপৰিও কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়, তাৰকাগৃহ, সংগ্ৰাহালয়, জিলা পুথিভঁৰাল আদিও জিলাখনত আছে।

কৃষিকৰ্মই হ'ল কোকৰাঝাৰ জিলাৰ বাসিন্দাসকলৰ জীৱিকাৰ প্ৰধান উৎস। জিলাখনৰ অৰ্থনীতি কৃষিৰ ওপৰতে নিৰ্ভৰশীল। সমভূমি অঞ্চলত প্ৰচুৰ পৰিমাণে ধান খেতি হয়। সেইদৰে বনজ সম্পদৰ দিশতো কোকৰাঝাৰ চহকী। ইয়াৰ বনাঞ্চলত বিভিন্ন মূল্যৱান গছ, শাল, চেগুণ, চন্দন, গমাৰি আদি পোৱা যায়। কোকৰাঝাৰত উৎপাদন হয় প্ৰচুৰ পৰিমাণে এড়ী সূতা। কোকৰাঝাৰৰ বনাঞ্চলত 'সোণালী বান্দৰ' নামৰ এবিধ বিৰল প্ৰজাতিৰ প্ৰাণী পোৱা যায়। জিলাখনৰ অন্যতম প্ৰধান ঠাই ছালাকাটীত আছে এটা তাপবিদ্যুৎ প্ৰকল্প।

কোকৰাঝাৰ জিলাক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰৱেশদ্বাৰ বুলি কোৱা হয়। জিলাখনেদি ভূটান আৰু ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আন আন ৰাজ্যসমূহৰ ব্যৱসায় বাণিজ্য সম্পন্ন হয়। জিলাখনৰ মাজেদি ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰহৈ গৈছে। জিলাখনত ৰে'ল চলাচলৰো ব্যৱস্থা আছে। কোকৰাঝাৰ আৰু ফকিৰাগ্ৰাম দুটা উল্লেখযোগ্য ৰে'ল ষ্টেচন।

কোকৰাঝাৰ জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহ হৈছে-

কোকৰাঝাৰ, গোসাঁইগাঁও, দলগাঁও, গুৱাবাৰী, বাবুবিল, বাঁশবাৰী, পদ্মবিল, কামাৰপাৰা, পুখুৰাপাৰা, চৌতাৰা, শিথিলা, ভাওৰাগুৰী, গুৰুফেলা, খলছানি, থুৰীবাৰী, ৰমণীআশ্ৰম, চিকাৰগাঁও, যদুমনি, চখাপাৰা, হৰুবিল, ডিমলগাঁও, তিতাগুৰী, চন্দ্ৰপাৰা, খুক্‌ছি, বলদিয়াবাথান, ফকিৰাগ্ৰাম, শক্তিআশ্ৰম, ধাউলীগুৰী, কালীপুখুৰী, চৌটাকী, লালটাৰী, বেণীবাৰী, কাকোৰমাৰী, টিলাপাৰা, জৰেগাঁও, ক্ষুদ্ৰ বাসুগাঁও, লাটাগাঁও, ভোটগাঁও, জয়পুৰ, ফুটকিবাৰী, মকৰাপাৰা, পুঠিয়াগুৰী, বেলডুবি, বালাগাঁও, দেবৰগাঁও, তিনিআলি, ছালাকাটী, হালোৱাদাল, চৰাইখোলা, বামুনীগাঁও। আমাৰ ক্ষেত্ৰ অধ্যয়ন এই অঞ্চলসমূহত সীমাবদ্ধ ৰখা হৈছে।

## চিৰাং জিলাৰ চমু পৰিচয় ঃ

বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত চাৰিখন জিলাৰ ভিতৰত এক অন্যতম জিলা হ'ল চিৰাং জিলা। ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে সম্পাদিত বড়ো চুক্তি অনুসৰি বি.টি.এ.ডি. গঠন হোৱাত তাত চাৰিখনকৈ জিলা অন্তৰ্ভুক্ত কৰা হয়। নতুনকৈ গঠন কৰা এই চাৰিখন জিলাৰে এখন হ'ল চিৰাং জিলা। জিলাখনৰ মহকুমা দুটা-কাজলগাঁও আৰু বিজনী। চিৰাং জিলাৰ সদৰ ঠাই কাজলগাঁও।

"*চিৰাং জিলা অসমৰ মধ্য পশ্চিম অংশ আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে অৱস্থিত। বিস্তৃতি উত্তৰ অক্ষাংশ ২৬.২৮ ডিগ্ৰীৰ পৰা ২৬.৫৪ ডিগ্ৰী আৰু পূৰ দ্ৰাঘিমাংশ ৮৯.৪২ ডিগ্ৰীৰ পৰা ৯০.০৬ ডিগ্ৰী।*"[১২]

চিৰাং জিলাৰ চাৰিসীমা এনে ধৰণৰ-

পূৰে বাক্সা জিলা আৰু বৰপেটা জিলাৰ কিছু অংশ, পশ্চিমে কোকৰাঝাৰ জিলা, উত্তৰে ভূটান ৰাষ্ট্ৰ আৰু দক্ষিণে বঙাইগাঁও জিলা অৱস্থিত। জিলাখনৰ মুঠ মাটিকালি ১৯২৩ বৰ্গ কি.মি.

২০১১ চনৰ লোকপিয়ল মতে চিৰাং জিলাৰ জনসংখ্যা এনে ধৰণৰ-[১৩]

| | | |
|---|---|---|
| মুঠ জনসংখ্যা | - | ৪,৮২,১৬২ |
| পুৰুষ | - | ২,৪৪,৮৬০ |
| মহিলা | - | ২,৩৭,৩০২ |
| জনবসতিৰ ঘনত্ব | - | ২৫১ জন |

চিৰাং জিলাখন বিভিন্ন ধৰ্মাৱলম্বীৰ লোকৰ বসতিস্থল। ইয়াৰে জনগাঁথনি এনে ধৰণৰ-[১৪]

| **ধৰ্ম** | **শতাংশ** | **জনসংখ্যা** |
|---|---|---|
| হিন্দু | ৬৬.৫০ | ৩২০,৬৪৭ |
| মুছলমান | ২২.৬৬ | ১০৯,২৪৮ |
| খ্ৰীষ্টান | ১০.৩২ | ৪৯,৭৪৭ |
| শিখ | ০.০২ | ৮৭ |
| বৌদ্ধ | ০.০৮ | ৪০৬ |
| জৈন | ০.০৩ | ১২৫ |
| অন্যান্য | ০.১০ | ৪৮২ |

চিৰাং জিলা প্ৰাকৃতিকভাৱে সুদৃশ্য আৰু চহকী। জৈব বৈচিত্ৰ্যৰে সমৃদ্ধ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ একাংশ চিৰাং জিলাৰ অন্তৰ্গত। তদুপৰি জিলাখনত চিৰাং, পাণবাৰী, বেংতল, ছিছুবাৰী, ৰাণী সুন্দৰী, টেকলাই, মানস আদি সংৰক্ষিত বনাঞ্চল আছে।

চিৰাং জিলাৰ মাজেদি অধিকাংশ নদী ভূটান পাহাৰৰ পৰা বৈ আহিছে আৰু এই নদীবোৰ হৈছে- মানস, অগ্ৰং, কাণামাকৰা, আই, চম্পাৱতী, দুলানী আদি।

চিৰাং জিলাৰ বাসিন্দাসকলৰ মূল জীৱিকা কৃষি। জিলাখনৰ অধিকাংশ বনাঞ্চল হোৱা বাবে বনজ সম্পদতো চহকী আৰু সেইবাবে একাংশলোকে ব্যৱসায়- বাণিজ্যকো জীৱিকাৰ উপায় হিচাপে লৈছে।

চিৰাং জিলাৰ ঢালিগাঁৱত অসমৰ দ্বিতীয়টো ৰাজহুৱা খণ্ডৰ তেল শোধনাগাৰ আৰু পেট্ৰ' ৰাসায়নিক প্ৰকল্প BRPL (Bongaigaon Refinery and Petro Chemicaly Ltd.) অৱস্থিত। ইয়াৰ লগতে ঢালিগাঁৱতে তাপ বিদ্যুৎ প্ৰকল্প আছে।

চিৰাং জিলাত শিক্ষাৰ ক্ষেত্ৰত নিম্ন প্ৰাইমেৰী, উচ্চ প্ৰাইমেৰী, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয় আদি সকলো পৰ্যায়ৰ শিক্ষানুষ্ঠান আছে। বিজনী কলেজ, ইউ. এন. ব্ৰহ্ম কলেজ, বেংতল কলেজ, ৰেইমালি বি.এড. কলেজ আদি চিৰাং জিলাৰ অন্তৰ্গত। "২০১১ চনৰ লোকপিয়ল অনুসৰি চিৰাং জিলাৰ সাক্ষৰতাৰ হাৰ ৬৩.৫৫ শতাংশ।"[১৫]

| | | |
|---|---|---|
| পুৰুষ | - | ৭০.২৪ শতাংশ |
| মহিলা | - | ৫৬.৬৫ শতাংশ |

২০১১ চনৰ লোকপিয়ল অনুসৰি চিৰাং জিলাৰ শিক্ষিত সংখ্যা এনেধৰণৰ-[১৬]

| | | |
|---|---|---|
| মুঠ শিক্ষিতৰ সংখ্যা | - | ২৫৯,৯০২ |
| পুৰুষ | - | ১৪৫,৮৬৯ |
| মহিলা | - | ১১৪,০০৩ |

যাতায়তৰ ক্ষেত্ৰত ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে জিলাখনলৈ যোগাযোগৰ সুবিধা আছে। তদুপৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেৰে আছে ৰেলপথ। বিজনী আৰু বাসুগাঁও চিৰাঙৰ দুটা প্ৰধান ৰেলষ্টেচন। জিলাখনৰ প্ৰধান ঠাই বিজনী, ঢালিগাঁও, কাজলগাঁৱলৈ যাতায়তৰ ভাল ব্যৱস্থা আছে।

চিৰাং জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহ হৈছে-

বিজনী, সুপাৰিগুৰী, আমগুৰি, ভেটাগাঁও, উলুবাৰী, বাগৰগাঁও, ছতিয়ানগুৰি, গাৰগাঁও, নিলিবাৰী, বাসুগাঁও, নেহালগাঁও, হেকাইপাৰা, শাকাতি, চিদলী, ফাগুনাগাঁও, কোচপাৰা, কাঠলগুৰী, শিয়ালমাৰী, তুংখুবাৰী, শান্তিপুৰ, এংকৰবাৰী, কদমতলা, হাছ্রাবাৰী, বেংতল, ৰুণীখাতা। আমাৰ ক্ষেত্ৰ অধ্যয়ন এই অঞ্চলসমূহত সীমাবদ্ধ ৰখা হৈছে।

## ০.৩ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ

কোচ-ৰাজবংশী লোকসকল সাংস্কৃতিক দিশত চহকী। কোচ-ৰাজবংশী জনগোষ্ঠীটোৰ ভাষা, সাহিত্য, সমাজ সংস্কৃতি সন্দৰ্ভত ইতিমধ্যে বিভিন্নজনে অধ্যয়ন কৰিছে আৰু অসমীয়া ভাষাৰ উপৰিও কোচ-ৰাজবংশী লোকসকলৰ মাজত প্ৰচলিত ভাষা, বাংলা ভাষা, ইংৰাজী আদি ভাষাতো গ্ৰন্থ প্ৰণয়ন কৰা দেখা যায়। আমাৰ গৱেষণা বিষয়ৰ লগত সংগতি থকা পূৰ্বকৃত অধ্যয়নসমূহ এনে ধৰণৰ-

প্ৰয়াত অম্বিকাচৰণ চৌধুৰীৰ "*কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি*" (১৯৭৯), "*ৰত্নপীঠত এভূমুকি* (১৯৬১) গ্ৰন্থদুখনত কোচ-ৰাজবংশী লোকসকলৰ বহুখিনি তথ্য পোৱা যায়। দ্বিজেন্দ্ৰনাথ ভকতৰ "*অসমৰ কোচ-ৰাজবংশী জনজাতি*" (২০০৮) গ্ৰন্থখনত কোচৰ উৎপত্তি পৰা আৰম্ভ কৰি কোচসকলৰ ৰাজনৈতিক ইতিহাস, কোচ-ৰাজবংশীসকলৰ জনসংখ্যা, শ্ৰেণীবিভাজন, সামাজিক দিশ, ভাষা আদিৰ আলোচনা পোৱা যায় যদিও অসমৰ কোচ-ৰাজবংশীসকলৰ জিলাভিত্তিক আলোচনা পোৱা নাযায়। লাবণ্য ভকতৰ "*ৰাজবংশী লোকসংস্কৃতি*" (২০১৩), "*ৰাজবংশী সংস্কৃতিত নাৰী*" (২০১৮) এই গ্ৰন্থদুখনত কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত পূজা-পাৰ্বণ, উৎসৱ-অনুষ্ঠান, ৰাজবংশী লোকজীৱনত ব্যৱহাৰ হোৱা বিভিন্ন সা-সামগ্ৰী ইত্যাদিৰ বিষয়ে যুক্তিনিষ্ঠ আৰু তথ্যসমৃদ্ধ আলোচনা পোৱা যায়। ইয়াৰ উপৰিও বিভিন্ন আচাৰ-অনুষ্ঠানত ৰাজবংশী নাৰীৰ ভূমিকাৰ বিষয়েও আলোচনা পোৱা যায়। অলকেশ চন্দ্ৰ ৰায়ৰ (সম্পা.) "*ৰাজবংশীৰ বসন্ত উৎসৱ*"(২০১৪), ৰঘুনাথ চৌধুৰীৰ "*বিযুৱা এক জাতীয় উৎসৱ*"(২০১৪)- আদি গ্ৰন্থত কোচ-ৰাজবংশীসকলৰ উৎসৱ-অনুষ্ঠানৰ কিছু আভাস পোৱা যায়। যামিনী কুমাৰ বৰুৱাৰ "*গোৱালপৰীয়া কলাকৃষ্টি সংস্কৃতি*" (১৯৯৯) গ্ৰন্থখনতো কোচ-ৰাজবংশীসকলৰ পূজা-পাতলৰ কিছু তথ্য সন্নিবিষ্ট হৈছে। বীৰেন্দ্ৰ নাথ দত্তৰ গ্ৰন্থ "*গোৱালপাৰৰ লোকসংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান*" (১৯৮২) গ্ৰন্থখনত গোৱালপৰীয়া লোকসংস্কৃতিৰ বিদ্যায়তনিক আলোচনা আছে। ধীৰেন দাসৰ "*গোৱালপাৰাৰ লোকসংস্কৃতি আৰু লোকগীত*" (১৯৯৪), উমেশ দাস (সম্পা.) "*পশ্চিম সীমান্তীয় অসমৰ ভাষা সংস্কৃতি সৌৰভ*" (২০১৩), গ্ৰন্থখনত পশ্চিম সীমান্তীয় অসমৰ ভিন্ন জনগোষ্ঠীবোৰৰ ভাষা সাহিত্য-সংস্কৃতি তথা সামূহিক জীৱনচৰ্যা প্ৰতিফলিত হৈছে। উমেশ দাস আৰু দেৱজ্যোতি শৰ্মা সম্পাদিত "*পশ্চিম অসমৰ লোকসংস্কৃতি*" (২০২৩) গ্ৰন্থখনত পশ্চিম অসমত বসবাস কৰা বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসংস্কৃতিৰ বিষয়ে বিদ্যায়তনিক তথা গৱেষণালব্ধ আৰু পদ্ধতিগত আলোচনা পোৱা যায়। দ্বিজেন নাথৰ "*গোৱালপৰীয়া লোকসংস্কৃতি*" (২০১৩), সুভাষ চৌধুৰীৰ "*কোচ-ৰাজবংশী সংস্কৃতি*" (২০২১), উৎপল সিংহৰ "*কোচ-ৰাজবংশী লোকসংস্কৃতিত এভুমুকি, প্ৰথম খণ্ড*" (২০২১), আদি গ্ৰন্থবোৰতো গোৱালপৰীয়া লোকসংস্কৃতি তথা কোচ-ৰাজবংশীসকলৰ সমাজ-সংস্কৃতি বিষয়ক আলোচনা আছে। অজিত

কুমাৰ গোস্বামী (অনু.), সুনীতি কুমাৰ চেতাৰ্জীৰ (মূল), "*কিৰাত জনকৃতি*" (২০১৮) শীৰ্ষক গ্ৰন্থখনত ভাৰতীয় সংস্কৃতি, ভাৰতীয় ইতিহাস, ভাষা আৰু সংস্কৃতিলৈ ইণ্ডো মংগোলীয় জনগোষ্ঠীসমূহৰ অৱদান, আহোম, কোচ, ডিমাছা, গাৰো আদিৰ বিষয়ে তথ্য পোৱা যায়।

দ্বীপেন্দ্ৰ নাৰায়ণ কোঁৱৰৰ "*কোচ কমতাৰ ইতিকথা*"-শীৰ্ষক গ্ৰন্থখনত কোচ জাতিৰ উৎপত্তি, প্ৰাচীন কামৰূপ তথা কমতাপুৰ, কোচ-ৰাজবংশীসকলৰ জাতিগত ভিত্তি, পূৰ্বপুৰুষৰ পূজা ইত্যাদিৰ বিষয়ে আলোচনা পোৱা যায়।

অজিত কুমাৰ বৰুৱাৰ "*কোচ ৰাজ্যৰ বুৰঞ্জী*" গ্ৰন্থখনত কোচসকলৰ আদি বাসস্থান, গোষ্ঠীগত পৰিচয়, কোচ ৰাজ্যৰ প্ৰতিষ্ঠা, বিশ্বসিংহৰ সময়ছোৱা, কোচ ৰাজ্যৰ শাসন ব্যৱস্থা, কোচ ৰাজ্যৰ সমাজ আৰু সংস্কৃতি ইত্যাদিৰ বহুখিনি তথ্য পোৱা যায়।

জ্যোতিপ্ৰসাদ ৰাজখোৱা (মূল), অঞ্জন শৰ্মাৰ (অনু.) "সংযুক্ত সৈন্যবাহিনীৰ সৰ্বাধিনায়ক চিলাৰায় আৰু তেওঁৰ সময়ছোৱা" গ্ৰন্থখনত চিলাৰায়ৰ পূৰ্বপুৰুষসকল, নৰনাৰায়ণ- চিলাৰায়ৰ শৈশৱকাল, নৰনাৰায়ণ-চিলাৰায়ৰ সামৰিক বিজয় অভিযান, প্ৰশাসনীয় সংস্কাৰ আৰু উন্নয়ণমূলক কাম কাজ, সমাজ, অৰ্থনৈতিক অৱস্থা ইত্যাদি বিষয়ে আলোচনা পোৱা যায়।

ইয়াৰোপৰি, গীতা সৰকাৰৰ "*পশ্চিম অসমৰ কোচ-ৰাজবংশী জনগোষ্ঠী ঃ এটি সামাজিক সাংস্কৃতিক অধ্যয়ন*" (২০১৩) অপ্ৰকাশিত গৱেষণা গ্ৰন্থখনত পশ্চিম অসমৰ অন্তৰ্গত কোচ-ৰাজবংশী লোকসকলৰ সমাজ ব্যৱস্থা তথা সংস্কৃতিৰ বিভিন্ন দিশৰ আলোচনা দাঙি ধৰিছে। ধীৰেন্দ্ৰ চন্দ্ৰ বৰ্মনৰ "*ৰাজবংশীসকলৰ লোকসাহিত্য ঃ এটি অধ্যয়ন (অবিভক্ত গোৱালপাৰা জিলাৰ বিশেষ উল্লিখনসহ)*; (২০১৩) অপ্ৰকাশিত গৱেষণা গ্ৰন্থখনত অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰা কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত বিভিন্ন লোকসাহিত্যৰ বিষয়ে আলোচনা পোৱা যায়। স্বপ্না হাজৰিকাৰ "*বঙাইগাওঁ জিলাৰ কোচ-ৰাজবংশী সকলৰ সামাজিক আচাৰ-অনুষ্ঠান*" (২০১৭) শীৰ্ষক অপ্ৰকাশিত গৱেষণা গ্ৰন্থখনত বঙাইগাওঁ জিলাত বসবাস কৰা কোচ-ৰাজবংশী লোকসকলৰ জন্ম, বিবাহ, মৃত্যু আদিৰ আচাৰ নীতি, পূজা-পাতল, উৎসৱ পাৰ্বণ, লোকচিকিৎসা আদিৰ সম্যক আলোচনা পোৱা যায়। লিলি দাসৰ "*অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশীসকলৰ উৎসৱ অনুষ্ঠান এক অধ্যয়ন*" (২০১৯) অপ্ৰকাশিত গৱেষণা গ্ৰন্থখনত অবিভক্ত

গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশীসকলৰ মাজত উদ্‌যাপিত বিভিন্ন উৎসৱ অনুষ্ঠান আদিৰ বিস্তৃত আলোচনা পোৱা যায়। দীপশিখা ৰায়ৰ "*ধুবুৰী জিলাৰ কোচ-ৰাজবংশীসকলৰ ঋতুকালীন উৎসৱ ঃ এটি অধ্যয়ন*" (২০১৭-২০১৮) শীৰ্ষক অপ্ৰকাশিত ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনত কোচ-ৰাজবংশী জনজাতিৰ মূল আৰু প্ৰব্ৰজন, কোচ-ৰাজবংশীসকলৰ আৰ্থ সামাজিক জীৱন, ধুবুৰী জিলাৰ ভৌগোলিক অৱস্থান, কোচ-ৰাজবংশীসকলৰ ঋতুকালীন উৎসৱ আদিৰ আলোচনা পোৱা যায়।

বাংলা ভাষাত প্ৰকাশিত গ্ৰন্থ- চাৰুচন্দ্ৰ সান্যালৰ "*উত্তরবঙ্গের রাজবংশী*" (২০১৭) নামৰ গ্ৰন্থখনত উত্তৰবঙ্গৰ ৰাজবংশীসকলৰ পাৰ্থিৱ সংস্কৃতি, জন্ম, শৈশৱ আৰু যৌৱন, বিবাহ ৰীতি, মৃত্যু আৰু তাৰ আনুষঙ্গিক অনুষ্ঠান, সামাজিক সম্পৰ্ক, ধৰ্মীয় বিশ্বাস আৰু অভ্যাস, সংগীত, বাদ্যযন্ত্ৰ ইত্যাদি বিভিন্ন বিষয়ৰ আলোচনা দাঙি ধৰিছে।

গিৰিজা শংকৰ ৰায়ৰ "*উত্তরবঙ্গের রাজবংশী জাতির পূজা-পার্বণ*" (২০১৫) গ্ৰন্থখনৰ পৰা উত্তৰবংগৰ ৰাজবংশীসকলৰ মাজত প্ৰচলিত বিভিন্ন পূজা পাতলৰ আভাস পোৱা যায়।

জিতেশচন্দ্ৰ ৰায় আৰু ৰতনচন্দ্ৰ ৰায় সম্পাদিত "*উত্তরবঙ্গের রাজবংশী সমাজ ও সংস্কৃতি*" শীৰ্ষক গ্ৰন্থখনত উত্তৰবংগৰ ৰাজবংশী সমাজৰ আৰ্থ সামাজিক প্ৰেক্ষাপট, লোকাচাৰ আদিৰ সম্যক আলোচনা পোৱা যায়।

ধনেশ্বৰ বৰ্মনৰ "*উত্তরবঙ্গের জনজীবন ও লোকাচার*" শীৰ্ষক গ্ৰন্থখনত উত্তৰবঙ্গৰ ৰাজবংশীসকলৰ লোকাচাৰ, লোকসংস্কাৰ, পাৰিবাৰিক লোকাচাৰ, সামাজিক লোকাচাৰ, কৃষিকেন্দ্ৰিক লোকাচাৰ আদিৰ বিষয়ে আলোচনা পোৱা যায়।

ইয়াৰ উপৰিও মহেন্দ্ৰ দেবনাথৰ "কোচবিহারের সম্পূর্ণ ইতিহাস" গ্ৰন্থখনত বিশ্বসিংহ, নৰনাৰায়ণকে আদি কৰি স্বাধীন কোচ ৰজাসকল আৰু তেওঁলোকৰ শাসন ব্যৱস্থাৰ লগতে স্বাধীনোত্তৰ সময়ছোৱাৰ কোচবিহাৰ ৰাজ্যৰ সামাজিক ৰাজনৈতিক, অৰ্থনৈতিক দিশৰ আভাস পোৱা যায়।

তদুপৰি, আঞ্চলিক স্তৰত প্ৰকাশ পোৱা বিভিন্ন অনুষ্ঠানৰ আলোচনী, মুখপত্ৰ, স্মৃতিগ্ৰন্থাদিতো কোচ-ৰাজবংশীসকলৰ সম্যক তথ্য বা আলোচনা পোৱা যায়।

উক্ত প্ৰকাশিত, অপ্ৰকাশিত গ্ৰন্থৰাজিত কোচ-ৰাজবংশীসকলৰ বিষয়ে তথ্য তথা আলোচনা

আছে যদিও কোকৰাঝাৰ আৰু চিৰাং এই দুখন জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত প্ৰচলিত সামাজিক লোকাচাৰৰ বিষয়ে কোনো ধৰণৰ প্ৰণালীবদ্ধ অধ্যয়ন পোৱা নাযায়। সেয়ে, আমাৰ অধ্যয়নৰ পৰিসৰ কোকৰাঝাৰ আৰু চিৰাং জিলাৰ মাজত সীমাবদ্ধ ৰাখি "**কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰ: এক বিশ্লেষণাত্মক অধ্যয়ন**'ৰ মাজেদি বিতং আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

## ০.৪ গৱেষণাৰ উদ্দেশ্য ঃ

গৱেষণা কৰ্মটিৰ উদ্দেশ্যসমূহ হৈছে-

ক) কোকৰাঝাৰ আৰু চিৰাং জিলাত পূৰ্বৰেপৰা বসবাস কৰা কোচ-ৰাজবংশী লোকসকলৰ মাজত অতীতৰে পৰা পৰম্পৰাগতভাৱে প্ৰচলিত সামাজিক ৰীতি-নীতি যেনে- জীৱন বৃত্তৰ সৈতে জড়িত লোকাচাৰ, বিভিন্ন উৎসৱ-পাৰ্বণ, পূজা-পাতল আদিৰ সৈতে জড়িত লোকাচাৰ সমূহ আলোকপাত কৰা।

খ) আমাৰ গৱেষণাৰ ভৌগোলিক পৰিসৰৰ অন্তৰ্গত কোচ-ৰাজবংশী লোকসলৰ মাজত অতীতৰেপৰা চলি অহা বিভিন্ন খেল-ধেমালি, লোক-ঔষধ তথা লোকচিকিৎসাৰ পদ্ধতিৰ সমলসমূহ অধ্যয়ন তথা সংৰক্ষণ কৰি কোচ-ৰাজবংশীসকলৰ লোকসংস্কৃতিক স্বকীয়তা নিৰূপণৰ উদ্দেশ্যে উক্ত বিষয়টো গ্ৰহণ কৰা হৈছে।

গ) কোকৰাঝাৰ আৰু চিৰাং জিলাত বসবাস কৰা অন্য জনগোষ্ঠীৰ সামাজিক লোকাচাৰ সমূহৰ তুলনাৰ জৰিয়তে কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰৰ স্বকীয়তা নিৰূপণৰ প্ৰয়াস কৰা।

ঘ) আধুনিক দৃষ্টিভংগী, বিজ্ঞানসন্মত চিন্তাধাৰা, বিশ্বায়ন আদি প্ৰভাৱৰ কাৰণে কোচ-ৰাজবংশীৰ লোকসমাজত প্ৰচলিত সামাজিক লোকাচাৰৰ কিছু কিছু ক্ষেত্ৰত পৰিলক্ষিত হোৱা পৰিৱৰ্তিত ৰূপসমূহ অধ্যয়ন কৰা এই গৱেষণাৰ অন্য এক উদ্দেশ্য।

ঙ) কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অন্তৰ্গত কোচ-ৰাজবংশী লোকসমাজত সিচঁৰতি

হৈ থকা জন্ম, বিবাহ, মৃত্যু, পূজা-পাতল, উৎসৱ-অনুষ্ঠান আদিৰ লগত জড়িত বিভিন্ন গীত-পদসমূহ সংগ্ৰহ কৰাও আমাৰ গৱেষণাৰ অন্যতম উদ্দেশ্য।

## ০.৫ গৱেষণাৰ গুৰুত্ব ঃ

কোচ-ৰাজবংশী জনগোষ্ঠী সংস্কৃতিৰ ফালৰ পৰা চহকী। কোচ-ৰাজবংশী লোকসংস্কৃতিৰ বিশাল ক্ষেত্ৰখনত সামাজিক লোকাচাৰে বৰ্ণাঢ্য আৰু বিচিত্ৰ ৰূপ পৰিগ্ৰহ কৰাত যথেষ্ট সহায় কৰিছে। সামাজিক লোকাচাৰৰ অন্তৰ্গত উপাদানসমূহ - উৎসৱ-অনুষ্ঠান, পূজা-পাতল, খেল-ধেমালি, লোক-ঔষধ আদিয়ে কোচ-ৰাজবংশী লোকসমাজত ঐক্য-সম্প্ৰীতিৰ লগতে সমন্বয় আৰু ভাতৃত্ববোধৰ পৰিচয় দাঙি ধৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে। অতীতৰেপৰা প্ৰচলিত এই সামাজিক লোকাচাৰসমূহ কোচ-ৰাজবংশী লোকসকলক সমাজমুখী কৰি গঢ়ি তোলাৰ লগতে সামাজিক শৃংখলতা, একতা বজাই ৰখাত বিশেষ অৰিহণা যোগাই আহিছে। কিন্তু সময়ৰ অগ্ৰগতিত আধুনিকতাৰ পৰশ অথবা বিভিন্ন কাৰণত এই লোকাচাৰসমূহৰ মাজত কিছু পৰিৱৰ্তন পৰিলক্ষিত হোৱাৰ লগতে কিছু হেৰুওৱাৰ উপশম ঘটিছে যিটো বৰ্তমান প্ৰেক্ষাপটত এক বিচাৰ্য তথা চিন্তনীয় বিষয় হৈ পৰিছে। কিয়নো, সামাজিক লোকাচাৰসমূহে কোনো এটা জাতিৰ জাতীয়তাৰ পৰিচিতি বহন কৰে। পৰিলক্ষিত পৰিৱৰ্তনে কোচ-ৰাজবংশী লোকসমাজত কেনেধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে লগতে এনে পৰিৱৰ্তনে উদীয়মান নৱ প্ৰজন্মৰ ক্ষেত্ৰত কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে-এনে দৃষ্টিভংগীৰে উক্ত বিষয়টোৰ অধ্যয়নৰ গুৰুত্ব আছে। ইয়াৰোপৰি, সামাজিক লোকাচাৰসমূহ বিজ্ঞানসম্মত ভাৱে সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে উঠি অহা প্ৰজন্মৰ মাজত উৎসাহ প্ৰদানৰ ক্ষেত্ৰতো আমাৰ গৱেষণাৰ বিষয়টোৰ অধ্যয়নৰ গুৰুত্ব আছে।

## ০.৬ গৱেষণাৰ পদ্ধতি ঃ

"**কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামাজিক লোকাচাৰ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন**" শীৰ্ষক বিষয়টো অধ্যয়নৰ বাবে মূলতঃ বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। গৱেষণা কৰ্মৰ বাবে প্ৰয়োজনীয় তথ্যসমূহ ক্ষেত্ৰ অধ্যয়ন কৰি লগতে প্ৰকাশিত বিভিন্ন গ্ৰন্থসমূহৰ পৰা সংগ্ৰহ কৰি সেইবোৰ পুংখানুপুংখভাৱে বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰি আমাৰ গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে। গৱেষণা গ্ৰন্থখনত দীঘলীয়া উদ্ধৃতিবোৰ

আপেক্ষিকভাৱে বেঁকা (Italic) আখৰেৰে দিয়া হৈছে।

গ্ৰন্থপঞ্জীখন অসমীয়া, বাংলা, ইংৰাজী- এই তিনিটা ভাগত ভাগ কৰি লেখকৰ উপাধি বৰ্ণানুক্ৰমত গ্ৰন্থসমূহ উল্লেখ কৰা হৈছে।

গ্ৰন্থ, আলোচনী, স্মৃতিগ্ৰন্থ, মুখপত্ৰ গৱেষণা পত্ৰিকা আদিৰ নাম বেঁকা (Italic) আখৰেৰে দিয়া হৈছে।

গৱেষণা কৰ্মৰ নিৰ্ভৰযোগ্যতা তথা সততাৰ তাগিদাত তথা জনগোষ্ঠীটোৰ সাংস্কৃতিক স্বকীয়তা দেখুওৱাৰ হেতু কিছু কিছু ক্ষেত্ৰত স্থানীয় কোচ-ৰাজবংশী শব্দ প্ৰয়োগ কৰা হৈছে।

**০.৭ তথ্য সংগ্ৰহ ঃ**

আমাৰ গৱেষণাৰ বিষয়টো অধ্যয়ন কৰিবলৈ যাওঁতে মুখ্য সমল হিচাপে ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা হৈছে। ইয়াৰ বাবে কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত থকা জ্যেষ্ঠ তথা অভিজ্ঞ লোকৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি তথ্য আহৰণ কৰা হৈছে।

কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত অনুষ্ঠিত হোৱা বিভিন্ন উৎসৱ-অনুষ্ঠান, পূজা-পাতল, খেল-ধেমালি ইত্যাদিবোৰত গৈ পৰ্যবেক্ষণ তথা নিৰীক্ষণ কৰি আমাৰ প্ৰযোজনীয় তথ্যসমূহ সংগ্ৰহ কৰা হৈছে।

ইয়াৰোপৰি তথ্য সংগ্ৰহৰ ক্ষেত্ৰত মোবাইল, কেমেৰা, Voice Recorder, Youtube Channel ইত্যাদি বৈদ্যুতিন মাধ্যমৰ সহায় লোৱা হৈছে।

তদুপৰি, আমাৰ গৱেষণা বিষয়ৰ লগত সংগতি থকা বিভিন্ন প্ৰকাশিত গ্ৰন্থ, আলোচনী, স্মৃতিগ্ৰন্থ, মুখপত্ৰ ইত্যাদি গৌণসমলসমূহ সংগ্ৰহ কৰি সেইবোৰৰ সহায় লোৱা হৈছে।

## প্ৰসংগটীকা ঃ

| | | | |
|---|---|---|---|
| ১) | নবীন চন্দ্ৰ শৰ্মা | ঃ | *অসমীয়া লোকসংস্কৃতিৰ আভাস*, পৃঃ ৪২ |
| ২) | নবীন চন্দ্ৰ শৰ্মা | ঃ | *লোকসংস্কৃতি*, পৃঃ ২৫২ |
| ৩) | উপেন ৰাভা হাকাচাম, প্ৰফুল্ল কুমাৰ নাথ (সম্পা·) | ঃ | *অসমৰ জনগোষ্ঠীয় সামাজিক লোকাচাৰ*, পৃ:৫ |
| ৪) | জিতেশ চন্দ্ৰ রায়, রতন চন্দ্ৰ রায় | ঃ | *উত্তরবঙ্গের রাজবংশী সমাজ ও সংস্কৃতি, কিছু প্ৰাসংগিক ভাবনা*, পৃ:৬২ |
| ৫) | খৰ্গেশ্বৰ নায়ক | ঃ | *ৰাজবংশী উপভাষা ঃ বিশ্লেষণাত্মক অধ্যয়ন, অপ্ৰকাশিত গৱেষণা গ্ৰন্থ*, পৃ:৮ |
| ৬) | as.m. wekipedia.org : Date-26-03-2023, Time-10PM | | |
| ৭) | বুদ্ধেশ্বৰ ৰায় | ঃ | *ঐতিহ্যমণ্ডিত কোকৰাঝাৰ চমু আভাস, স্মৃতিগ্ৰন্থ, **বিসম্বি** ২০০৭, কোকৰাঝাৰ,* পৃ: ৫৯ |
| ৮) | প্ৰাগুক্ত গ্ৰন্থ | ঃ | পৃ: ৫৯ |
| ৯) | http://www.census2011.co.in Date- 27-03-2023, Time- 10:10 PM | | |
| ১০) | Do Date- 27-03-2023, Time- 10:25 PM | | |
| ১১) | Do Date- 27-03-2023, Time- 10:47 PM | | |
| ১২) | as.m. wikipedia.org : Date-26-03-2023, Time-10:27PM | | |
| ১৩) | http://www.census2011.co.in Date- 27-03-2023, Time- 11:10 PM | | |
| ১৪) | Do Date- 27-03-2023, Time- 11:17 PM | | |
| ১৫) | Do Date- 27-03-2023, Time- 11:26 PM | | |
| ১৬) | Do Date- 27-03-2023, Time- 11:42 PM | | |